**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-04-2026
**Time :** 18-00 Hrs

# ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধীৰ প্ৰচাৰ অভিযান তুংগত। বিজেপিৰ সভাপতি নীতিন নবীনৰ কাচাৰ জিলাত প্ৰচাৰ অভিযান।

২। ৰাজ্যৰ কেইবাখনো জিলাত নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ বাবে ডাক বেলটযোগে ভোটদান অব্যাহত।

৩। নিৰাপত্তা বাহিনীৰ নিৰ্বাচন কেন্দ্ৰিক ব্যস্ততাৰ সুযোগ লৈ বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে অসমত প্ৰৱেশৰ চেষ্টা চলোৱা বুলি কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ সতৰ্কবাণী।

৪। গেছ চিলিণ্ডাৰৰ বিতৰণৰ ক্ষেত্ৰত হোৱা অনিয়ম আৰু যাৱতীয় নীতি নিয়ম পালন নকৰাৰ বাবে ৫ টা ৰন্ধন গেছ বিতৰণ প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ সাময়িকভাৱে বাতিল।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত মুম্বাই ইণ্ডিয়ানছৰ, দেলহি কেপিটেলছক জয়ৰ বাবে ১৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। প্ৰচাৰ অভিযানৰ সামৰণি পৰিবৰ্লে মাজত মাত্ৰ তিনিটা দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী উভয় পক্ষই ভোটদাতাৰ মন জয়ৰ বাবে দিনে-নিশাই আপ্ৰাণ চেষ্টা চলাইছে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে আজি কাছাৰ জিলাৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কৌশিক ৰায়ৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লয়। লাবক খেলপথাৰত আয়োজিত এই জনসভাত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াইও অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে আজি শ্ৰীভূমিৰ ৰামকৃষ্ণ নগৰতো দলটোৰ হৈ প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শিৱসাগৰ জিলাৰ নামতি বৰছলাত নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ কৰুণাকান্ত মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত সভাত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ময়ূৰ বৰগোঁহাইৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত তেওঁ ৰাজ্যত পুনৰ বিজেপিৰ চৰকাৰ হ'ব বুলি আশা প্ৰকাশ কৰে।

বাইট (চি এম)

মুখ্যমন্ত্ৰী ড০ শৰ্মাই চৰাইদেউ জিলাৰ মাহমৰা আৰু সোণাৰিতো দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ মাহমৰাৰ জাজলী পাঁচআলি ৰাজহুৱা খেলপথাৰত বিজেপি-মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰুয দিহিঙীয়াৰ সমৰ্থনত আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই সোণাৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ হৈ আন এখন নিৰ্বাচনী সভাতো ভাগ লয়। তেওঁ আজি নাজিৰা আৰু মৰিয়নী সমষ্টিতো দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

বিত্ত মন্ত্ৰী অজন্তা নেওগে আজি দেৰগাঁও সমষ্টিৰ এন ডি এ সমৰ্থিত বিজেপি প্ৰাৰ্থী ড০ মৃদুল কুমাৰ দত্তৰ হৈ দক্ষিণহেঙ্গেৰা আকু কাকদোঙা মণ্ডলত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

বাক্সা জিলাতো সমাগত বিধানসভা নির্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰ হৈ উঠিছে। বাক্সা বিধানসভা সমষ্টিৰ ইউ পি পি এলৰ প্ৰাৰ্থী ৰাকেশ ব্ৰহ্মই আজি বৰঘাগ্ৰা-নৰদিহিৰাত নিৰ্বাচনী প্ৰচাৰ চলায়। জিলাখনৰ বাগানপাৰা পৰিষদীয় সমষ্টিত ইউ পি পি এলৰ সভাপতি প্ৰমোদ বড়োৱে মিছলামাৰিত প্ৰচাৰ চলায়।

অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পেমা খান্দুৱে আজি নাওবৈচা, ৰঙানদী আৰু লক্ষীমপুৰ সমষ্টিত প্ৰচাৰ চলায়। ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাষ্ট্ৰীয় সভাপতি তেজস্বী সূৰ্যই দিছপুৰ সমষ্টিত প্ৰচাৰ চলায়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দুলীয়াজান সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰত ভাগ লয়।

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি মাজুলী বিধানসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূৱন গামৰ হৈ তিনিখনকৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলতো চাৰিটা বিধানসভা সমষ্টিৰ বাবে নিৰ্বাচনী প্ৰচাৰ অভিযান তুংগত উঠিছে। কংগ্ৰেছ দলৰ সাংসদ ইমৰাণ প্ৰতাপ গিৰিয়ে আজি পূব গোৱালপাৰা সমষ্টিত দলীয় প্ৰাৰ্থী এ কে ৰছিদ আলমৰ হৈ প্ৰচাৰ চলায়। আনহাতে, পশ্চিম গোৱালপাৰা সমষ্টিত বিজেপি প্ৰাৰ্থী পবিত্ৰ ৰাভাৰ হৈ দলটোৰ যুৱ মৰ্চাৰ সভাপতি তেজস্বী সূৰ্যই প্ৰচাৰ চলায়।

অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই আজি গোৱালপাৰা পূৱ সমষ্টিৰ দলীয় প্ৰাৰ্থী আব্দুৰ ৰহিম জিব্ৰানৰ হৈ প্ৰচাৰ চলায়। প্ৰচাৰ কালত শ্ৰীবৰাই কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে আৰু উন্নয়নৰ স্বাৰ্থত অগপৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰাবলৈ আহ্বান জনায়। ইফালে, নলবাৰীৰ বিজেপিৰ প্ৰাৰ্থী জয়ন্ত মল্ল বৰুৱাই লাওতোলাত আয়োজিত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

মুখ্য বিৰোধী দল কংগ্ৰেছকে ধৰি অন্যান্য দলৰ প্ৰাৰ্থীসকলেও সমষ্টিয়ে সমষ্টিয়ে গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে গৌৰীপুৰ, বিলাসীপাৰা আৰু পৰ্বতঝোৰাত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। তেওঁ নলবাৰী বিধানসভা সমষ্টিত মিত্ৰদলৰ প্ৰাৰ্থী অশোক শৰ্মাৰ হৈ ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে সমাগত বিধানসভা নিৰ্বাচনত কংগ্ৰেছ-মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক ভোট দিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়।

বাইট (গৌৰৱ গগৈ)

প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক মেঘনাথ চেত্ৰীয়ে ন-দুৱাৰ, বিশ্বনাথ, কলিয়াবৰ আৰু ঢকুৱাখনাত প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন কেন্দ্ৰীয় অখিলেশ প্ৰসাদ সিঙে আজি গুৱাহাটীৰ ৰাজীৱ ভৱনত আয়োজিত এখন সংবাদ মেলত বিজেপি চৰকাৰক সমালোচনা কৰে।

নিখিল ভাৰত মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী অলকা লাম্বাই শিলচৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থী অভিজিৎ পাল আৰু বৰখলা বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ডাঃ অমিত কালোৱাৰৰ সমৰ্থনত আজি শিলচৰৰ অম্বিকাপুৰ, সুভাষ নগৰ আৰু বৰখলাত নিৰ্বাচনী প্ৰচাৰ চলায়।

ooooo

ৰাজ্যৰ কেইবাখনো জিলাত নিৰ্বাচনী দায়িত্বত নিয়োজিত বিষয়া কৰ্মচাৰীৰ বাবে আজি ডাক বেলটযোগে ভোটদান আৰম্ভ হৈছে। কামৰূপ জিলাৰ মিৰ্জাৰ দক্ষিণ কামৰূপ মহাবিদ্যালয়ত মুঠ ৪ হাজাৰ ২০০ গৰাকী বিষয়া-কৰ্মচাৰী, আৰক্ষীয়ে ডাক বেলটযোগে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। এই বিষয়া কৰ্মচাৰীসকল কমলপুৰ, বকো-ছয়গাওঁ, হাজো-শুৱালকুছি, ৰঙিয়া, চমৰীয়া, আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ নিৰ্বাচনী কামত নিয়োজিত। ভোটদান ৮ এপ্ৰিললৈ চলিব।

দক্ষিণ শালমাৰা মানকাচৰ জিলাত কৰ্মৰত অন্য জিলাৰ চৰকাৰী কৰ্মচাৰীসকলৰ ভোটদান প্ৰক্ৰিয়াও আৰম্ভ হৈছে। জিলাখনত চাকৰী সূত্ৰে কৰ্মৰত মুঠ ৭৫৬ গৰাকী কৰ্মচাৰীক পোলিং বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। এই বিষয়াসকলে হাটশিঙিমাৰী মহাবিদ্যালয়ত ৩ দিনৰ ভিতৰত ভোটদান সম্পন্ন কৰিব পাৰিব।

চিৰাং জিলাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সৈতে জড়িত পলিং বিষয়া আৰু আৰক্ষীৰ প'ষ্টেল ভোটদানৰ ক্ষেত্ৰত জিলা নিৰ্বাচনী বিভাগে পূৰ্বতে জাৰি কৰা নিৰ্দেশনাৰ আংশিক সংশোধনী ঘটাইছে। সেই অনুসৰি আৰক্ষীৰ বাবে চিদলী-চিৰাং আৰু বিজনী বিধানসভা সমষ্টিৰ ভোটাৰৰ বাবে আজি আৰু কাইলৈ পুৱা ৯ বজাৰ পৰা বিয়লি ৫ বজালৈ পুলিচ ৰিজাৰ্ভত ডাক বেলট যোগে ভোটদান কৰিব পাৰিব। বিধানসভা নিৰ্বাচনৰ বাবে নিয়োজিত সকলো বিষয়া, কৰ্মচাৰীক সংশোধিত ব্যৱস্থা অনুসৰি ভোটদানৰ বাবে উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে ছিডলী-চিৰাং বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্তব্যত জড়িত বিষয়াসকলে কাইলৈ আৰু পৰহিলৈ ইউ এন ব্ৰহ্ম চিনিয়ৰ ছেকেণ্ডেৰী স্কুলত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব। বিজনী বিধানসভা সমষ্টিৰ নিৰ্বাচনী কৰ্তব্যত জড়িত বিষয়াসকলেও কাইলৈ আৰু পৰহিলৈ বিজনী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পুৱা ১০ বজাৰ পৰা ভোটদান কৰিব পাৰিব।

ooooo

কেন্দ্ৰীয় চোৰাংচোৰা সংস্থাৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, নিৰ্বাচন প্ৰক্ৰিয়া চলি থকাৰ সময়তে অসমত ব্যপক হাৰত বাংলাদেশী অনুপ্ৰৱেশকাৰীয়ে প্ৰৱেশৰ চেষ্টা চলাইছে। অসমৰ লগতে পশ্চিমবংগতো অনুপ্ৰৱেশকাৰীয়ে প্ৰৱেশৰ চেষ্টা কৰা বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। চোৰাংচোৰা সংস্থাই এই সন্দৰ্ভত অসম আৰু পশ্চিবংগৰ আৰক্ষীক সতৰ্ক কৰি দিছে। নিৰ্বাচনৰ পূৰ্বে দুয়োখন ৰাজ্যতে পৰিস্থিতি অশান্ত কৰি তোলাৰ উদ্দ্যেশ্যেই অনুপ্ৰৱেশৰ  চেষ্টা চলি আছে বুলি চোৰাংচোৰা সংস্থাই সকিয়াই দিছে।

ooooo

ৰাজ্য চৰকাৰে গেছ চিলিণ্ডাৰৰ বিতৰণৰ ক্ষেত্ৰত হোৱা অনিয়ম আৰু যাৱতীয় নীতি নিয়ম পালন নকৰাৰ বাবে ৫ টা ৰন্ধন গেছ বিতৰণ প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ সাময়িকভাৱে বাতিল কৰিছে।

মুখ্য সচিবৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা বিজ্ঞপ্তি অনুসৰি ৰাজ্য চৰকাৰে পশ্চিম এছিয়াত সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰন্ধন গেছৰ যোগানৰ বিষয়টো সুক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে আৰু নিৰীক্ষণৰ সময়ত নীতি নিৰ্দেশনা উলংঘা কৰাৰ কথা পোহৰলৈ অহাৰ বাবে এই ৫ টা বিতৰণ প্ৰতিষ্ঠানৰ অনুজ্ঞাপত্ৰ বাতিল কৰা হৈছে। বিজ্ঞপ্তিটোত প্ৰকাশ কৰা মতে এই প্ৰতিষ্ঠান কেইটালৈ ৰন্ধন গেছৰ চিলিণ্ডাৰ মুকলি কৰা নহয় আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়ালৈকে চিলিণ্ডাৰ আৱণ্টন দিয়া নহ'ব। প্ৰতিষ্ঠানকেইটাৰ গ্ৰাহকসকললৈ অবিৰত যোগান সুনিশ্চিত কৰাৰ বাবে তেওঁলোকক বিকল্প বিতৰক প্ৰতিষ্ঠানৰ পৰা গেছ যোগানৰ ব্যৱস্থা কৰা হৈছে।  ৰাজ্য চৰকাৰে পৰ্যাপ্ত পৰিমাণে ৰন্ধন গেছ মজুত থকা বুলি আৰু ঘৰুৱা উপভোক্তাসকলে এশ শতাংশ আৱণ্টন লাভ কৰি যাব বুলি আশ্বাস দিছে।

ooooo

দেশৰ সকলো ঠাইতে পেট্ৰল, ডিজেল আৰু ৰন্ধন গেছৰ পৰ্যাপ্ত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে চৰকাৰে সৰ্বতোপ্ৰকাৰে চেষ্টা চলাই আছে বুলি পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। চৰকাৰে ভীতিগ্ৰস্ত হৈ অনাহকতে ৰন্ধন গেছৰ চিলিণ্ডাৰ ক্ৰয় আৰু বুকিং নকৰিবলৈ জনসাধাৰণক পৰামৰ্শ দিছে। মন্ত্ৰালয়ে লগতে পেট্ৰলিয়মজাত সামগ্ৰী আৰু ৰন্ধন গেছৰ অবিৰত উপলভ্যতা সুনিশ্চিত কৰাৰ বাবে সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে। এনে ব্যৱস্থাৰ অংশ হিচাপে ৰন্ধন গেছ বিতৰকসকলৰ ওচৰত ৫ কিলোগ্ৰাম ওজনৰ চিলিণ্ডাৰ উপলব্ধ কৰোৱা হৈছে আৰু বৈধ পৰিচয়পত্ৰ দেখুৱাই এনে চিলিণ্ডাৰ ক্ৰয় কৰিব পৰা যাব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। যোৱা মাহৰ ২৩ তাৰিখৰ পৰা ৫ কিলোগ্ৰাম ওজনৰ প্ৰায় ৫ লাখ ৭০ হাজাৰ চিলিণ্ডাৰ বিক্ৰী কৰা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে ৰন্ধন গেছৰ চিলিণ্ডাৰ বিক্ৰী ৯৫ শতাংশলৈ বৃদ্ধি পাইছে আৰু কালি প্ৰায় ৫১ লাখ চিলিণ্ডাৰ প্ৰদান কৰা হৈছে। মন্ত্ৰালয়ে লগতে জনসাধাৰণক পি এন জি, ইনডাকচন, আৰু ইলেকট্ৰিক কুক টপছৰ দৰে বিকল্প ইন্ধন ব্যৱহাৰ কৰিবলৈ উদগণি দিছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰালয়ে সামুদ্ৰিক বাণিজ্যৰ ধাৰাবাহিকতা সুনিশ্চিত কৰাৰ লগতে জাহাজৰ চলাচল, বন্দৰ পৰিচালনা আৰু ভাৰতীয় নাবিকসকলৰ নিৰাপত্তাৰ বিষয়সমূহ অহৰহ নিৰীক্ষণ কৰি আছে। মন্ত্ৰালয়ে গ্ৰীন চানভি নামৰ এখন  ৰন্ধন গেছ পৰিবাহী জাহাজে কালি হৰমুজ প্ৰণালী অতিক্ৰম কৰা বুলি জানিবলৈ দিছে। ৪৬

হাজাৰ ৬৫০ মেট্ৰিকটন ৰন্ধন গেছ্ কঢ়িয়াই অনা জাহাজখনত মুঠ ২৫ গৰাকী নাবিক আছে বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, পাৰচ্য উপসাগৰীয় অঞ্চলত বৰ্তমান ১৭ খন ভাৰতীয় ধ্বজা বহনকাৰী জাহাজ আৰু ৪৬০ গৰাকী ভাৰতীয় নাবিক আছে। ২৮ ফেব্ৰুৱাৰীৰ পৰা প্ৰায় ৬ লাখ ৭৫ হাজাৰ যাত্ৰীয়ে বিমানযোগে অঞ্চলটোৰ পৰা স্বদেশলৈ উভতি অহা বুলি চৰকাৰে জানিবলৈ দিছে।

০০০০০

অসম জাতীয় পৰিষদৰ মধ্য গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী কুংকী চৌধুৰীয়ে বিজেপিৰ আই টি চেলে ছ'চিয়েল মিডিয়াত এ আই জেনেৰেটেড ভুৱা ভিডিঅ' প্ৰস্তুত কৰি তেওঁৰ বিৰুদ্ধে নেতিবাচক প্ৰচাৰ চলোৱাৰ অভিযোগত আজি গুৱাহাটীৰ পানবজাৰ থানাত এটা গোচৰ তৰে। প্ৰাৰ্থীগৰাকীয়ে বিজেপিৰ আই টি চেল আৰু কেইবাজনো লোকে তেওঁৰ লগতে পৰিয়ালৰ বিৰুদ্ধে কেইবাদিনো ধৰি ছ'চিয়েল মিডিয়াত ভুৱা প্ৰচাৰ চলাই অহাৰ গুৰুতৰ অভিযোগ তথ্যসহ আৰক্ষীৰ ওচৰত দাখিল কৰে।

০০০০০

ভোটদাতাসকলে ই চি আই নেট মঞ্চৰ জৰিয়তে নিজৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থীসকলৰ শৈক্ষিক যোগ্যতা আৰু পূৰ্বতে কোনো অপৰাধৰ সৈতে জড়িত থকা নথকাৰ তথ্য লাভ কৰিব পাৰিব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ভোটদাতাসকলে প্ৰাৰ্থীসকলে দাখিল কৰা শপতনামাও ডাউনলোড কৰিব পাৰিব। ই চি আই নেট বিশ্বৰ সৰ্ববৃহৎ ভোটদাতা সেৱা মঞ্চ আৰু ইয়াৰ জৰিয়তে নিৰ্বাচন আযোগৰ ৪০ টাৰো অধিক এপ আৰু প'ৰ্টেল একত্ৰিত কৰি সৰল অভিজ্ঞতা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছে দেলহি কেপিটেলছ জয়ৰ বাবে ১৬৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। খেলখনত টছত জিকি দেলহি কেপিটেলছে প্ৰথমে মুম্বাই ইণ্ডিয়ানছক বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়। মুম্বাইৰ হৈ সূৰ্য কুমাৰ যাদৱে সৰ্বাধিক ৫১ ৰাণ সংগ্ৰহ কৰে। ইয়াৰ প্ৰত্যুত্তৰত দেলহি কেপিটেলছে বাতৰি যুগুতোৱাৰ পৰলৈকে ৫ অভাৰত দুটা উইকেট হেৰুৱাই ৩৯ ৰাণ সংগ্ৰহ কৰিছে।

ইপিনে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আজি হ'বলগীয়া আন এখন খেলত গুজৰাট টাইটানছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ